# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 18-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ওমান ভ্ৰমণসূচীৰে কালি সন্ধিয়া মাচকাটত উপস্থিত হৈছে।

২। কেন্দ্ৰীয় গ্ৰামোন্নয়ন, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ৰাজ্যসভাত বিকশিত ভাৰত-ৰোজগাৰ আৰু অজীৱিকা অভিযান গ্ৰামীণৰ নিশ্চয়তা ঃ বিকশিত ভাৰত G RAM G বিধেয়ক ২০২৫ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দিব।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত পৰম্পৰাগত চিকিৎসা সম্পৰ্কীয়  বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বিতীয় বিশ্ব সন্মিলন কালি আৰম্ভ হয়।

*আৰু*

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱানিশা অনুষ্ঠিত চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ওমান ভ্ৰমণসূচীৰে কালি সন্ধিয়া মাচকাটত উপস্থিত হৈছে। ত্ৰিদেশীয় ৰাষ্ট্ৰ ভ্ৰমণৰ অন্তিম পৰ্যায়ত শ্ৰীমোদী ওমানলৈ গৈছে। ইয়াৰ পূৰ্বে তেওঁ জৰ্দান আৰু ইথিওপিয়ালৈ গৈছিল। মাচকাট বিমান বন্দৰত শ্ৰীমোদীক ওমানৰ উপ প্ৰধানমন্ত্ৰী  চৈয়দ শ্বিহাব বিন তাৰিক অল ছাইদে আদৰণি জনায়। দুয়োগৰাকী নেতাই বিভিন্ন ক্ষেত্ৰত ভাৰত আৰু ওমানৰ মাজৰ সহযোগিতা অধিক শক্তিশালী কৰাৰ লগতে কৌশলগত অংশীদাৰিত্ব আগুৱাই নিয়া সন্দৰ্ভত আলোচনা কৰে। ওমানৰ ৰজা ছুলতান হাইথাম বিন তাৰিকৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰী বন্ধু ৰাষ্ট্ৰখনলৈ গৈছে। আজি ভাৰত আৰু ওমানৰ মাজত ব্যাপক অৰ্থনৈতিক অংশদাৰিত্ব চুক্তি স্বাক্ষৰিত হ'ব। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেল আৰু ওমানৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী কুৱেইছ অল ইউছুফৰ উপস্থিতি ওমানৰ ৰজা আৰু প্ৰধানমন্ত্ৰী মোদীয়ে এই চুক্তিত স্বাক্ষৰ কৰিব। সামাজিক মাধ্যমৰ বাৰ্তাত শ্ৰীমোদীয়ে কয় যে, ভাৰতৰ সৈতে ওমানৰ ঐতিহাসিক সম্পৰ্ক আছে। তেওঁ কয়, তেওঁৰ এই ভ্ৰমণে সহযোগিতাৰ নতুন দিশ অন্বেষণৰ লগতে উভয় দেশৰ মাজৰ অংশীদাৰিত্বক ত্বৰান্বিত কৰাৰ প্ৰদানৰ সুযোগ প্ৰদান কৰিব।

ooooo

কেন্দ্ৰীয় গ্ৰামোন্নয়ন, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ৰাজ্যসভাত বিকশিত ভাৰত-ৰোজগাৰ আৰু অজীৱিকা অভিযান গ্ৰামীণৰ নিশ্চয়তা ঃ বিকশিত ভাৰত G RAM G বিধেয়ক ২০২৫ সন্দৰ্ভত

হোৱা আলোচনাৰ উত্তৰ দিব। এই বিধেয়ক সন্দৰ্ভত হোৱা আলোচনা সম্পূৰ্ণ কৰিবলৈ কালি নিশা পৰ্যন্ত লোকসভাৰ কাম-কাজ অব্যাহত থাকে। এই বিধেয়কখনে ২০ বছৰ পুৰণি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ ৰোজগাৰ গেৰাণ্টি অধিনিয়ম ২০০৫ৰ স্থান ল'ব। বিধেয়কখনৰ উদ্দেশ্যে হৈছে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ বাবে গ্ৰাম্য উন্নয়নৰ পৰিকাঠামো তৈয়াৰ কৰা। এই বিধেয়কৰ অধীনত শ্ৰমিকসকলক দিবলগীয়া ধনৰাশিৰ কেন্দ্ৰীয় চৰকাৰে ৬০ শতাংশ আৰু ৰাজ্য চৰকাৰে ৪০ শতাংশ বহন কৰিব। উত্তৰ-পূৰ্বাঞ্চল আৰু হিমালয়ৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত এই পৰিমাণ হ'ব ৯০ অনুপাত ১০। ৰাজ্য চৰকাৰে দিয়া নিবনুৱা ভাট্টা আৰু ক্ষতিপূৰণ পূৰ্বৰ দৰে থাকিব। এই বিধেয়কখনত লেন-দেনৰ বাবে বায়'মেট্ৰিক প্ৰামাণিকৰণ পৰিকল্পনা আৰু পৰ্যবেক্ষণৰ বাবে ভূ-স্থানিক প্ৰযুক্তি, মোবাইল এপ্লিকেছন আধাৰিত ডেশ্বৰ্বড আদিৰ ব্যৱস্থা থাকিব। ইয়াৰ অধীনত সকলো কাম-কাজক বিকশিত ভাৰত ৰাষ্ট্ৰীয় গ্ৰামীণ আন্তঃগাঁথনিত অন্তৰ্ভুক্ত কৰা হ'ব। জল সম্বন্ধীয় কাম-কাজ, মুখ্য গ্ৰামীণ আন্তঃগাঁথনি, জীৱিকা সম্বন্ধীয় আন্তঃগাঁথনি আৰু বতৰৰ প্ৰতিকূল পৰিস্থিতিৰ প্ৰভাৱ কম কৰাৰ লগতে দুৰ্যোগৰ প্ৰস্তুতি বিষয়ক বিশেষ কাম-কাজৰ জৰিয়তে জল সুৰক্ষা বিষয়ভিত্তিক প্ৰাথমিকতা প্ৰদান কৰা হ'ব। এই বিধেয়কখন সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে এই বিধেয়কখনে গাঁওসমূহৰ উন্নয়ন সুনিশ্চিত কৰিব। তেওঁ আৰু কয়, যে বিধেয়কখনে পূৰ্বৰ ১০০ দিনৰ পৰিৱৰ্তে ১২৫ দিনৰ কামৰ নিশ্চিতি প্ৰদান কৰিব। বিধেয়কখনে আত্মনিৰ্ভৰ, বিকশিত আৰু দৰিদ্ৰতা মুক্ত গাঁৱৰ বাবে মহাত্মা গান্ধীৰ দৃষ্টিকোণক বাস্তবায়িত কৰিব।

বিধেয়কখন সন্দৰ্ভত আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ জয়প্ৰকাশে কয়, যে বিজেপিয়ে ৰাষ্ট্ৰীয় গ্ৰামোন্নয়ন গেৰাণ্টি বিধেয়কৰ বিৰোধিতা কৰিছে, যিখন বিধেয়ক ইউ পি এ শাসনৰ সময়ত সংসদত উত্থাপন কৰা হৈছিল। তেওঁ খাদ্য শস্যৰ নূন্যতম সমৰ্থন মূল্য সন্দৰ্ভত চৰকাৰক প্ৰশ্ন উত্থাপন কৰে। আনহাতে বিজেপিৰ ব্ৰীজমোহন আগৰৱালাই কয়, যে বিকশিত ভাৰত- G RAM G বিধেয়কখনে মহাত্মা গান্ধীৰ সপোন পূৰণ কৰিব।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপামত পৰম্পৰাগত চিকিৎসা সম্পৰ্কীয় বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বিতীয় বিশ্ব সন্মিলন কালি আৰম্ভ হয়। অনুষ্ঠানত ভাষণ দি আয়ুষ মন্ত্ৰী প্ৰতাপৰাও যাধৱে পৰম্পৰাগত চিকিৎসা বিজ্ঞানত ভাৰতৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ সন্দৰ্ভত আলোকপাত কৰি গৱেষণা, গুণগত মান, আৰু বিশ্ব সহযোগিতা শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। ২০১৬ চনত আৰম্ভ হোৱা এই সহযোগিতাই বিশ্ব পৰ্যায়ত পৰম্পৰাগত চিকিৎসা বিজ্ঞানক আগুৱাই নিয়াৰ ক্ষেত্ৰত এক মূল মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে বুলিও তেওঁ উল্লেখ কৰে।

শ্ৰীযাধৱে বৃত্তি, বিশ্বব্যাপী সহযোগিতা আৰু আয়ুষ গ্ৰীডৰ দৰে ডিজিটেল মঞ্চৰ দ্বাৰা সমৰ্থিত শিক্ষা, গৱেষণা আৰু সামৰ্থ্য বিকাশৰ জৰিয়তে ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ সম্প্ৰসাৰণৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে।

ইপিনে, বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড° টেড্ৰ'ছ আধানম গেব্ৰেইছাছে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে প্ৰজ্ঞাক একত্ৰিত কৰাৰ বাবে সংস্থাটোৰ দায়বদ্ধতাৰ কথা পুনৰ

দৃঢ়তাৰে উল্লেখ কৰে। ড° টেড্ৰছে বিজ্ঞান আৰু পৰম্পৰাৰ মাজত, তথা জ্ঞান আৰু অভিজ্ঞতাৰ মাজত সংযোগ স্থাপনৰ গুৰুত্ব সন্দৰ্ভতো আলোকপাত কৰে।

শীৰ্ষ সন্মিলনৰ মূল বৈশিষ্ট্য হিচাপে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ সমান্তৰালকৈ আয়ুৰ্বেদ, যোগ, ইউনানি, আৰু হোমিঅ'পেথীকে ধৰি ভাৰতৰ আয়ুষ ব্যৱস্থাসমূহ প্ৰদৰ্শনৰ বাবে আয়ুষ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে।

বিশ্বজুৰি পৰম্পৰাগত চিকিৎসাৰ নিৰাপদ, ফলপ্ৰসূ আৰু প্ৰমাণভিত্তিক ব্যৱহাৰক প্ৰসাৰিত কৰাৰ লক্ষ্যৰে নতুন বিশ্বব্যাপী প্ৰতিশ্ৰুতিৰ লগতে এই সন্মিলনত উল্লেখযোগ্য বৈজ্ঞানিক পদক্ষেপ ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০০০

ভাৰত আৰু আৰ্জেণ্টিনাই দ্বিপাক্ষিক কৃষি গৱেষণা আৰু প্ৰযুক্তি বিনিময় বৃদ্ধিৰ বাবে কালি নতুন দিল্লীত ২০২৫-২৭ কাৰ্য আঁচনিত স্বাক্ষৰ কৰে। ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰীয় কৃষি প্ৰযুক্তি প্ৰতিষ্ঠানৰ মাজত স্বাক্ষৰিত এই কাৰ্য আঁচনিৰ জৰিয়তে প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা, বহনক্ষম কৃষি অৰ্থনীতিৰ বিভিন্ন দিশত সহযোগিতা স্থাপন কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে ভাৰত আৰু আৰ্জেণ্টিনাৰ মাজত তৈল বীজ আৰু দাইলৰ মূল্য শৃংখলা আৰু কৃষি যান্ত্ৰিকীকৰণৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় হৈছে। দুয়োখন দেশে এই সহযোগিতাৰ প্ৰসাৰৰ ক্ষেত্ৰত বছৰি নিৰীক্ষণ আৰু পৰ্যালোচনাৰ বাবে সন্মতি প্ৰকাশ কৰাৰ লগতে ভাৰত-আৰ্জেণ্টিনা বৈজ্ঞানিক অংশীদাৰিত্বৰ দিশত থকা প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰে।

০০০০০

গুজৰাটত নিৰ্বাচনী তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী (SIR) প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ নিৰ্বাচনী তালিকাৰ খচৰা প্ৰকাশ কৰা হ'ব। ৰাজ্যখনত যোৱা ২৭ অক্টোবৰত আৰম্ভ হোৱা এই অভিযানৰ পৰীক্ষণ পৰ্যায়ৰ সফলতাৰে সমাপ্তি ঘটিছে। মুঠ ৩৩খন জিলা আৰু ১৮২টা বিধানসভা সমষ্টিতে পৰীক্ষণৰ কাম ১০০ শতাংশ সম্পূৰ্ণ হোৱা বুলি আকাশবাণীৰ সংবাদদাতাই জনাইছে। গুজৰাটৰ মুখ্য নিৰ্বাচনী বিষয়াই জনোৱা মতে, খচৰা তালিকা প্ৰকাশ পোৱাৰ পাছত কাইলৈৰপৰা অহা ১৮ জানুৱাৰীলৈকে খচৰা তালিকা সন্দৰ্ভত দাবী আৰু ওজৰ আপত্তি দাখিল কৰিব পাৰিব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোয়েলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ওমানৰ চুলতানৰ উপস্থিতিত আজি দেশখনৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰাৰ কথা ঘোষণা কৰে। কালি মাস্কাত ওমান-ভাৰত ব্যৱসায়িক আলোচনাত ভাষণ দি তেওঁ কয়, যে চুক্তিখন স্বাক্ষৰ কৰাটো দুয়োখন দেশৰ উন্নয়নৰ বাবে এক নতুন অধ্যায়ৰূপে পৰিগণিত হ'ব। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্যৰ প্ৰবাহ বৃদ্ধিৰ লক্ষ্যৰে এই মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰা হ'ব। এই চুক্তিয়ে

বিভিন্ন খণ্ডত অপৰিসীম সুযোগ কঢ়িয়াই আনিব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয়, যে পাৰস্পৰিক লাভৰ চাৰিটা প্ৰধান খণ্ড হ'ব শক্তিখণ্ডৰ উন্নয়ণ, আন্তঃগাঁথনি, খাদ্য সুৰক্ষা আৰু ষ্টাৰ্টআপ ইক' চিষ্টেম। ইয়াৰ পূৰ্বে ওমানৰ বাণিজ্য, উদ্যোগ আৰু বিনিয়োগ প্ৰসাৰ মন্ত্ৰী কাইছ আল ইউছেফে গোয়েলক আদৰণি জনাই কয়, যে ভাৰত ওমানৰ তৃতীয় বৃহত্তম বাণিজ্যিক অংশীদাৰ। ওমানত ভাৰতীয় বিনিয়োগে এই কথা স্পষ্টভাৱে প্ৰমাণ কৰে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

নতুন দিল্লীত অহা বছৰ হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনে মানৱ মূলধন, সামাজিক সবলীকৰণ, সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে এক সুনিৰ্দিষ্ট ৰোডমেপ প্ৰস্তুত কৰাৰ এখন মঞ্চ প্ৰদান কৰিব। ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী জিতিন প্ৰসাদে নিউয়ৰ্কত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ ২০২৬ শীৰ্ষ সন্মিলনৰ আৰম্ভণী অনুষ্ঠানত ভাষণ দি এইদৰে কয়। ভাষণৰ সময়ত মন্ত্ৰীগৰাকীয়ে সন্মিলনৰ তিনিটা সূত্ৰ দাঙি ধৰে । তেওঁ লগতে কয়, যে এই সূত্ৰসমূহ মানৱ মূলধন, সামাজিক সবলীকৰণৰ বাবে অন্তৰ্ভুক্তি আদিকে ধৰি সাতটা বিষয়ভিত্তিক কৰ্মগোটৰ জৰিয়তে কাৰ্যকৰী কৰা হ'ব।

ooooo

পাৰমাণৱিক চাবমেৰিন নিৰ্মাণ সম্ভৱ কৰি তুলিবলৈ ছিউলে ৱাশ্বিংটনৰ সৈতে দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰাৰ মত পোষণ কৰিছে। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা উই ছুং-লাকে ৱাশ্বিংটনত আলোচনাৰ বাবে উপস্থিত হোৱাৰ সময়তে উইয়ে এইদৰে মতপোষণ কৰে। প্ৰায় এমাহ পূৰ্বে অক্টোবৰৰ শেষৰ ফালে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লি জে-ম্যুং আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মাজত অনুষ্ঠিত দ্বিতীয়খন শীৰ্ষ সন্মিলনত দুয়োখন দেশৰ মাজত বাণিজ্য আৰু নিৰাপত্তা চুক্তিৰ স্বাক্ষৰিত হৈছিল। দক্ষিণ কোৰিয়াই আমেৰিকাৰ সৈতে থকা বৰ্তমানৰ দ্বিপাক্ষিক অসামৰিক পাৰমাণৱিক শক্তিৰ চুক্তিত সামৰিক উদ্দেশ্যত পাৰমাণৱিক সামগ্ৰী ব্যৱহাৰ কৰাত বাধা আৰোপ কৰিছে। ইউৰেনিয়াম সমৃদ্ধ আৰু ব্যৱহৃত পাৰমাণৱিক ইন্ধন পুনৰ প্ৰক্ৰিয়াকৰণৰ সন্দৰ্ভত ৱাইয়ে ইতিমধ্যে বহল পৰ্যায়ৰ চুক্তিত উপনীত হোৱা বুলি উল্লেখ কৰি পৰৱৰ্তী সুনিৰ্দিষ্ট পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱানিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। বহুবাৰ পৰ্যবেক্ষণৰ পিছত অৱশেষত আম্পায়াৰে খেলখন পৰিত্যক্ত ঘোষণা কৰিবলগীয়া হয়। ইয়াৰ ফলত শৃংখলাত ভাৰতে পূৰ্বৰ দৰে ২-১ত

আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**